**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-05-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

সম্ভাব্য যুদ্ধকালীন পৰিস্থিতি সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে আজি দেশৰ বিভিন্ন স্থানত সতৰ্কতামূলক অনুশীলন চলোৱা হ'ব। পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত ভাৰত আৰু পাকিস্তানৰ মাজৰ সম্পৰ্কৰ চূড়ান্ত অৱনতি ঘটাৰ সময়তে কেন্দ্ৰীয় গৃহমন্ত্ৰালৰ নিৰ্দেশ অনুসৰি দেশৰ ২৫৯টা স্থানত সতৰ্কতামূলক অনুশীলন চলোৱা হ'ব। গুৱাহাটী, বঙাইগাঁও, ডিব্ৰুগড়, ধুবুৰী, তেজপুৰ, লখিমপুৰকে ধৰি ৰাজ্যৰ ২০টা স্থানত আজি জনসাধাৰণৰ জীৱনৰ নিৰাপত্তা তথা সম্পত্তিৰ সুৰক্ষাৰ বাবে মকড্ৰিল অনুষ্ঠিত হ'ব।

এই অনুশীলনৰ সময়ছোৱাত বিমান আক্ৰমণৰ সময়ত ছাইৰেণ ব্যৱস্থাৰ সক্ৰিয়কৰণ, সাধাৰণ লোক বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ সুৰক্ষা নিশ্চিত কৰা, হঠাৎ বিদ্যুৎ কৰ্তন বা ব্লেক আউট হ'লে কি ব্যৱস্থা গ্ৰহণ কৰা হ'ব সেই বিষয়ত সজাগ কৰা, আপাতকালীন পৰিস্থিতিত দ্ৰুত উদ্ধাৰ আৰু গুৰুত্বপূৰ্ণ কাৰখানা বা ঘাটিত নিৰাপত্তা নিশ্চিতকৰণ আদি বিষয়ত প্ৰশিক্ষণ দিয়া হ'ব। অগ্নিনিৰ্বাপন আৰু জৰুৰীকালীন সেৱা বিভাগৰ গুৱাহাটীৰ মুখ্য কাৰ্যালয়ে ৰাজ্যৰ ২০টা অগ্নিনিৰ্বাপন বাহিনীৰ কেন্দ্ৰক মকড্ৰিলত সক্ৰিয় অংশগ্ৰহণৰ বাবে নিৰ্দেশ দিছে। এই অনুশীলনত জিলা প্ৰশাসন আৰু অসামৰিক প্ৰতিৰক্ষা বাহিনীয়ে সহযোগ কৰিব।

oooooo

মধ্য আৰু নামনি অসমৰ ১৩ খন জিলাত আজি পুৱা চাৰে ৭ বজাৰ পৰা পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। এই পৰ্যায়ত ধুবুৰী, দক্ষিণ শালমাৰা-মানকাচৰ, গোৱালপাৰা, বঙাইগাঁও, বৰপেটা, বজালী, নলবাৰী, কামৰূপ, কামৰূপ মহানগৰ, হোজাই, নগাঁও, মৰিগাঁও আৰু দৰং জিলাৰ মুঠ ১২ হাজাৰ ১৩০টা ভোটকেন্দ্ৰত ভোটগ্ৰহণ কৰা হৈছে। দ্বিতীয় পৰ্যায়ত ৯১ লাখ ৩১ হাজাৰ ১২৭ গৰাকী ভোটদাতাই ২৯ হাজাৰ ৬০৮ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। ইয়াৰ ভিতৰত জিলা পৰিষদত ৪৯৫ গৰাকী, আঞ্চলিক পঞ্চায়তত দুহেজাৰ ৩৮৮ গৰাকী আৰু গাঁও পঞ্চায়ত সদস্য পদত ২৬ হাজাৰ ৭২৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ইতিমধ্যে এহেজাৰ ২৮৯ গৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে।

ৰাজ্যখনত যোৱা ২ মে'ত পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত ১৪ খন জিলাত ৭০ দশমিক ১-৯ শতাংশ ভোটদান সম্পন্ন হয়। অহা ১১ মে'ত দুয়োটা পৰ্যায়ৰে ভোটগণনা কৰা হ'ব। উল্লেখযোগ্য যে সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত প্ৰথমবাৰৰ বাবে ৰাজ্যত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হৈছে।

oooooo

সদৌ অসম আহোম সভাৰ ১৩৩ সংখ্যক প্ৰতিষ্ঠা দিৱস অহা ১৩ মে'ত ডিব্ৰুগড় টাই শিক্ষা সাংস্কৃতিক কেন্দ্ৰত অনুষ্ঠিত হ'ব। ১৮৯৩ চনৰ  ১৩ মে'ত টাই সংস্কৃতিৰ বিকাশ তথা উত্তৰণৰ লক্ষ্যৰে গঠন হোৱা আহোম সভাৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে ছখন উপ-সমিতি গঠন কৰি প্ৰস্তুতি চলোৱা হৈছে। দিৱসৰ কাৰ্যসূচীৰ অংশ হিচাপে

হ'বলগীয়া মুকলি সভাত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থকাৰ কথা। এই সভাতে বিশিষ্ট লেখক তথা টাই আহোম ভাষা সাহিত্যৰ গৱেষক ড০ পুষ্প গগৈক সদৌ অসম আহোম সভাৰ প্ৰতিষ্ঠাপক সভাপতি সাহিত্য কাণ্ডাৰী পদ্মনাথ গৌহাঞি বৰুৱা বঁটা প্ৰদান কৰা হ'ব। দিৱসৰ সৈতে সংগতি ৰাখি ইন্দ্ৰ গগৈৰ সম্পাদনাত প্ৰকাশিত স্মৃতিগ্ৰন্থখন ডিব্ৰুগড়ৰ কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ জয়দেৱ গগৈয়ে উন্মোচন কৰিব। মুকলি সভাৰ পাছতে সাংস্কৃতিক কাৰ্যসূচীৰো আয়োজন কৰা হৈছে।

লখিমপুৰ জিলা আহোম সভাৰ উদ্যোগত ঢকুৱাখনাবাসী ৰাইজৰ সহযোগত জিলাখনৰ সাপতীয়া চেতিয়া গাঁৱত ১৩ মে'ৰ পৰা দুদিনীয়াকৈ আহোম সভাৰ প্ৰতিষ্ঠা দিৱস উদযাপনৰ প্ৰস্তুতি চলোৱা হৈছে। এই উপলক্ষে সুৰেন্দ্ৰনাথ বুঢ়াগোহাই ক্ষেত্ৰত বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০০

ডিব্ৰুগড়ৰ মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ জেণ্ডাৰ চেম্পিয়ন ক্লাব, অসম কলেজ শিক্ষক সন্থাৰ গোট আৰু আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ উদ্যোগত কালি চলচ্চিত্ৰ নিৰ্মাণ সম্পৰ্কীয় এখন কৰ্মশালা অনুষ্ঠিত হয়। এই কৰ্মশালাত প্ৰখ্যাত অভিনেতা, চলচ্চিত্ৰ নিৰ্মাতা তথা লেখক শ্ৰেয়াছ জুটছীয়ে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। তেওঁ ছাত্ৰীসকলক চলচ্চিত্ৰ নিৰ্মাণৰ সৈতে জড়িত বিভিন্ন দিশৰ বিষয়ে অৱগত কৰোৱাৰ লগতে এই সম্পৰ্কত বৃত্তিগত সম্ভাৱনাসমূহো ফহিয়াই দেখুৱায়। এই অনুষ্ঠানত কমেও ৫০গৰাকী ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

০০০০০০

বিশ্বনাথ জিলাৰ বিহালী সমষ্টিৰ বিহুপুখুৰী চাহবাগিছাত মৌমাখিৰ আক্ৰমণত কালি ১৪গৰাকী শ্ৰমিক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। চাহবাগিছাখনৰ চালানৰ ওজনৰ সময়ত বাগিছাখনত কাম কৰি থকা এগৰাকী মহিলা শ্ৰমিকক মৌমাখিৰ জাকে উপৰ্যুপৰি আক্ৰমণ কৰাৰ ফলত শ্ৰমিকগৰাকী গুৰুতৰভাৱে আহত হয়। এই অৱস্থাত অন্য শ্ৰমিকসকল দৌৰি পলাবলৈ চেষ্টা কৰাৰ সময়তে আন ১৩জন শ্ৰমিক গুৰুতৰভাৱে আহত হয়। আহতসকলক মোনাবাৰী বাগিছা চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে।

০০০০০০

তিনিচুকীয়া জিলাৰ ডুমডুমাৰ ৰজা ৰমাকান্ত সমন্বয় ক্ষেত্ৰত সোমবাৰৰ পৰা অনুষ্ঠিত সদৌ মৰাণ ছাত্ৰ সন্থাৰ ৫৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপনৰ কালি সামৰণি পৰে। কালিৰ অনুষ্ঠানত মৰাণসকলৰ অন্তিমগৰাকী ৰজা বডৌচাৰ স্মৃতি বিজড়িত বডৌচা সমন্বয় বঁটা শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুক প্ৰদান কৰা হয়। এই বঁটা গ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে সদৌ মৰাণ ছাত্ৰ সন্থাৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ বিভিন্ন জাতি-জনগোষ্ঠীৰ ঐতিহ্যময় কৃষ্টি-সংস্কৃতি, ভাষা-সাহিত্যৰে অসমীয়া জাতীয় জীৱনৰ নৈখন চিৰপ্ৰৱহমান হৈ থাকিব বুলি মন্তব্য কৰে। ৰাজ্যৰ সকলো জনগোষ্ঠীৰ মাজত সমন্বয় সাধন আৰু ঐক্যৰ মনোভাৱ গঢ়ি তোলাৰ বাবে চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি তেওঁ মন্তব্য কৰে। উল্লেখযোগ্য যে এই বঁটাত আছে ৰজা বডৌচাৰ স্মাৰক, মৰাণ ছাত্ৰ সন্থাৰ স্মাৰক, ১ লাখ টকাৰ চেক, গামোছা, চেলেং, জাপী, তৰোৱাল, মৰাণ চোলা, গ্ৰন্থৰ টোপোলা ইত্যাদি। এই অনুষ্ঠানত অৰুণাচল প্ৰদেশৰ উপ-মুখ্যমন্ত্ৰী ছাওনা মেইন, মন্ত্ৰী ৰূপেশ গোৱালা, বিধায়ক সঞ্জয় কিষাণ, বলিন চেতিয়াকে ধৰি বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰে। দুদিনীয়া এই অনুষ্ঠানত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ মৰাণ জনগোষ্ঠীৰ লোকসকলে অংশ

লয়। প্ৰথম দিনৰ অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰে। অনুষ্ঠানত গ্ৰন্থমেলা মুকলি, অধ্যয়নচক্ৰ, আলোচনা সত্ৰ, মৰাণ ছাত্ৰ সন্থাৰ মুখপত্ৰ গান্ধে উন্মোচন, মৰাণঘৰ উন্মোচন আৰু মুকলি সভা অনুষ্ঠিত হয়। হাজাৰ হাজাৰ বিহুৱা-নাচনীয়ে গছ্ তলৰ বিহু পৰিৱেশন কৰে। দিনৰ ভাগত এহেজাৰ আয়তীয়ে খেৰি পৰিৱেশন কৰে। অনুষ্ঠানৰ অংশ হিচাপে কালি সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। কালি জনগোষ্ঠীটোৰ অন্যতম অনুষ্ঠান ৰাতি বিহু উপভোগ কৰাৰ বাবে অগণন লোকৰ সমাগম হয়। এই অনুষ্ঠানত কেইবাগৰাকী বিদেশৰ ছাত্ৰইও অংশ লয়।

oooooo

দেশৰ বিভিন্ন অংশত আজি হ'বলগীয়া মকড্ৰিল অৰ্থাৎ অসামৰিক প্ৰতিৰক্ষা অনুশীলনৰ পৰিপ্ৰেক্ষিতত আকাশবাণীৰ বাতৰি সেৱা বিভাগে কালি নিশা প্ৰচাৰিত বিশেষ স্পটলাইটত অসামৰিক প্ৰতিৰক্ষা আৰু ৰাষ্ট্ৰীয় নিৰাপত্তা সম্পৰ্কীয় এই অনুশীলনৰ বিষয়ে বিশেষজ্ঞসকলে মতামত ব্যক্ত কৰে।

ইংৰাজী ভাষাত প্ৰচাৰিত এই স্পটলাইটৰ অসমীয়া ভাষান্তৰ আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি পুৱা ৯ বাজি ৩০ মিনিটত প্ৰচাৰ কৰিব। এই অনুষ্ঠান ৰাজ্যখনৰ আটাইবোৰ কেন্দ্ৰই ৰিলে কৰিব।

oooooo

সমাপ্ত